জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৩৯/২০২০

# ২০২১ বৰ্ষৰ ডিৰাই-৩৬৫ কেলেণ্ডাৰ উন্মোচন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## বিভিন্ন ক্ষেত্ৰৰ সফল ব্যক্তি আৰু অনুষ্ঠানক সম্বৰ্দ্ধনা জনালে মুখ্যমন্ত্ৰীয়ে

### চৰকাৰী কাম-কাজৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ সংবাদ মাধ্যমক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এক অনুষ্ঠানত ২০২১ বৰ্ষৰ ডিৰাই- ৩৬৫ কেলেণ্ডাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই কেলেণ্ডাৰখন ক'ভিড যোদ্ধাসকলৰ নামত উৎসৰ্গিত কৰা হৈছে। এই একেটা কাৰ্যসূচীতে মুখ্যমন্ত্ৰী সোণোৱালে সুপ্ৰসিদ্ধ গায়িকা সুদক্ষিণা শৰ্মা, সাংবাদিক যদু কাকতি, উদ্যোগী মনোজ কুমাৰ বসুমতাৰী, ক্ৰিকেটাৰ ৰিয়ান পৰাগ আৰু মাদাৰ অ'ল্ড এজ হোমক তেওঁলোকে সমাজলৈ আগবঢ়োৱা বিশিষ্ট বৰঙনিৰ বাবে সম্বৰ্দ্ধনা জনায়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে ডিৰাই-৩৬৫ৰ কেলেণ্ডাৰখন ক'ভিড যোদ্ধাৰ সন্মানাৰ্থে উৎসৰ্গিত কৰাৰ বাবে সংবাদ প্ৰতিষ্ঠানটোক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰত বিশেষভাৱে সফলতা লাভ কৰা ব্যক্তি তথা প্ৰতিষ্ঠানক সম্বৰ্দ্ধনা জনোৱাৰ বাবেও প্ৰতিষ্ঠানটোক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে ক'ভিড-১৯ অতিমাৰীয়ে ৰাজ্যখনৰ সকলো ক্ষেত্ৰতে প্ৰভাৱ পেলাইছে যদিও ৰাজ্যখনৰ জনসাধাৰণে এই অতিমাৰী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰদান কৰা সহযোগিতাই এই অতিমাৰী নিয়ন্ত্ৰণৰ দিশত বিশেষভাৱে সহায় কৰিছে। এই অতিমাৰীৰ প্ৰকোপ কিছু স্থিমিত হৈছে যদিও ই একেবাৰে নিৰ্মূল হোৱা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক সুৰক্ষামূলক ব্যৱস্থা অব্যাহত ৰখাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ডিৰাই -৩৬৫ সংবাদ প্ৰতিষ্ঠানক জনসাধাৰণৰ মাজত এই সম্বন্ধে আৰু অধিক সজাগতা সৃষ্টিৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়।

সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে চৰকাৰী কাম-কাজসমূহৰ ওপৰত অবিৰতভাৱে চোকা দৃষ্টি ৰখাৰ বাবে আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যদিহে প্ৰশাসন যন্ত্ৰই কিবা ভুল কৰা বুলি পৰিলক্ষিত হয় তেনেহ'লে সংবাদ মাধ্যমে গঠনমূলক সমালোচনাৰে ভুলবোৰ আঁতৰোৱাৰ পথ প্ৰশস্ত কৰিব লাগিব। সমাজখনক শুদ্ধ পথৰ সন্ধান দিয়াটো গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ স্বৰূপ সংবাদ মাধ্যমৰ গুৰুদায়িত্ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ডিৰাই -৩৬৫ৰ স্বত্বাধিকাৰী সঞ্জীৱ জয়ছোৱালৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**